**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2025 TIME-1340 HRS.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে মহাৰাষ্ট্ৰ ভ্ৰমণলৈ যাব।

২। দেশৰ বিভিন্ন প্ৰান্তত আজি বাল্মিকী জয়ন্তী উদযাপন কৰা হৈছে।

৩। প্ৰতিৰক্ষা খণ্ডত দেশৰ আত্মনিৰ্ভৰশীলতাই আঁচনি আৰু ঘোষণাৰ পৰ্যায় অতিক্ৰম কৰি কাৰ্যকৰিতা আৰু প্ৰভাৱৰ ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মত প্ৰকাশ কৰিছে।

৪। ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী ছিবেষ্টিয়ান লুখোন্যুৱে দায়িত্বভাৰ গ্ৰহণ কৰাৰ মাত্ৰ ২৬ দিনৰ পাছতে পদত্যাগ কৰিছে।

আৰু

৫। আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হ'বলগীয়া খেলত বাংলাদেশ ইংলেণ্ডৰ মুখামুখি হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে মহাৰাষ্ট্ৰ ভ্ৰমণলৈ যাব। এই ভ্ৰমণকালত তেওঁ নৱী মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্য আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। প্ৰায় ১৯ হাজাৰ ৬৫০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই বিমান বন্দৰটো হ'ব দেশৰ সৰ্ববৃহৎ গ্ৰীণফিল্ড বিমান বন্দৰ প্ৰকল্প। উল্লেখযোগ্য যে মুম্বাই মহানগৰ এলেকাৰ দ্বিতীয়টো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ হিচাপে পৰিগণিত নৱী মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰটো যাত্ৰীৰ ভিৰ বৃদ্ধি পোৱাৰ ফলত উদ্ভৱ হোৱা সমস্যা লাঘৱ কৰাৰ উদ্দেশ্যে ছত্ৰপতি শিৱাজী মহাৰাজ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সৈতে একেধৰণে আন্তঃৰাষ্ট্ৰীয় মান ৰক্ষা কৰি নিৰ্মাণ কৰা হৈছে। এই বিমান বন্দৰটোৱে বছৰি ৯ কোটি বিমান যাত্ৰীৰ আহ-যাহ তথা ৩০ লাখ মেট্ৰিকটনতকৈও অধিক পৰিমাণৰ সা-সামগ্ৰী পৰিবহণৰ সুবিধা থাকিব।

০০০০০০০

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ এই ভ্ৰমণকালত প্ৰায় ১২ হাজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা মুম্বাইৰ তৃতীয় মেট্ৰ'লাইনৰ টু-বি পৰ্যায়ৰ অংশটোও আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। এই ব্যৱস্থাৰ জৰিয়তে মহানগৰীখনৰ পৰিবহণ খণ্ডত সংস্কাৰ সাধনৰ উল্লেখনীয় পদক্ষেপ হিচাপে বিবেচিত হোৱা মুম্বাইৰ তৃতীয় মেট্ৰ'লাইনটো সামগ্ৰিকভাৱে দেশবাসীৰ প্ৰতি উচৰ্গা কৰিব। এই নিৰ্মাণকাৰ্যত ৩৭ হাজাৰ ২৭০ কোটি টকাতকৈও অধিক পৰিমাণৰ ধন ব্যয় হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত এছিয়াৰ প্ৰধান দূৰসংযোগ আৰু প্ৰযুক্তি অনুষ্ঠান ইণ্ডিয়া মোবাইল সন্মিলন ২০২৫ উদ্বোধন কৰিব। চাৰিদিনীয়া এই অনুষ্ঠানটো নতুন দিল্লীৰ যশোভূমিত কাইলৈৰ পৰা অহা ১১ অক্টোবৰলৈ অনুষ্ঠিত হ'ব। **পৰিৱৰ্তনৰ বাবে উদ্ভাৱন**ক মূল বিষয়বস্তু হিচাপে লৈ এই সন্মিলনত দূৰসংযোগ আৰু ডিজিটেল প্ৰযুক্তি খণ্ডত স্বনিৰ্ভৰশীলতা গঢ়ি তোলাৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ পদক্ষেপক আগুৱাই লৈ যোৱাৰ লক্ষ্য লোৱা হৈছে। সন্মিলনত 6G পৰিস্থিতি তন্ত্ৰ, চাইবাৰ নিৰাপত্তা, উপগ্ৰহীয় যোগাযোগ, কৃত্ৰিম বুদ্ধিমত্তা, দূৰসংযোগ আদি দিশসমূহত আলোকপাত কৰা হ'ব। এই সন্মিলনৰ প্ৰতি লক্ষ্য ৰাখি কালি কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই দ্বাৰকাৰ যশোভূমিত আয়োজিত ভাৰত মোবাইল সন্মিলন ২০২৫ৰ স্থান পৰিদৰ্শন কৰে। যোগাযোগ মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি এই সন্মিলনত এক লাখ ৫০ হাজাৰ লোকৰ উপস্থিত থাকিব বুলি আশা কৰা হৈছে। তাৰোপৰি ৭ হাজাৰতকৈও অধিক বিশ্বৰ কেইবাখনো দেশৰ প্ৰতিনিধি আৰু ৪০০তকৈও অধিক প্ৰদৰ্শনীত ভাগ ল'বলগীয়া লোকে অংশগ্ৰহণ কৰিব।

০০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি বাল্মিকী জয়ন্তী উদযাপন কৰা হৈছে। এই দিৱসত মহাকাব্য ৰামায়ণৰ ৰচক মহৰ্ষি বাল্মিকীৰ জন্ম বাৰ্ষিকী উপলক্ষ্যে পালন কৰা হয়। মহৰ্ষি বাল্মিকিক 'আদি কবি' বা সংস্কৃত ভাষাৰ

প্ৰথম কবি হিচাপেও উপাসনা কৰা হয়। বাল্মিকী পন্থাৰ সদস্যসকলেও তেওঁক ঈশ্বৰৰ দূত হিচাপে শগণ্য কৰে আৰু পৰম ভক্তিৰে পাৰগত দিৱস পালন কৰে। এই উপলক্ষে "শোভা যাত্ৰা" নামৰ শোভাযাত্ৰাটোও উলিওৱা হয়।

মহৰ্ষি বাল্মিকী জয়ন্তী উপলক্ষ্যে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে । সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে আদিকবি বাল্মিকীৰ দ্বাৰা ৰচিত 'ৰামায়ণ'ৱে মানৱ সমাজক ভগৱান শ্ৰীৰামৰ প্ৰেৰণাদায়ক কাহিনী আৰু আদৰ্শ জীৱন মূল্যবোধৰ শিক্ষা প্ৰদান কৰিছে। মহৰ্ষি বাল্মীকীক আধ্যাত্মিক জাগৰণ, কৰুণা, আৰু মানৱীয় আদৰ্শৰ প্ৰতীক ৰূপে অভিহিত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধা জনায়।

বাল্মীকি জয়ন্তী উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনেও জনসাধাৰণক শুভেচ্ছা জনাইছে। আজি এটা ছ'চিয়েল মিডিয়া পোষ্টত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, মহৰ্ষি বাল্মিকী আছিল ভগৱান ৰামৰ জীৱন আৰু আদৰ্শক অমৰ কৰি ৰখা মহাকাব্য ৰামায়ণৰ আদিকৱী আৰু প্ৰণেতা। তেওঁ কয় যে মহৰ্ষি বাল্মিকীৰ কালজয়ী সত্য, গুণ, মমতাৰ শিক্ষাই মানৱতাক অনুপ্ৰাণিত কৰি ৰাখিছে আৰু সকলোকে সৎ পথ প্ৰদৰ্শন কৰি আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহৰ্ষি বাল্মীকি জয়ন্তী উপলক্ষে দেশৰ নাগৰিকক শুভেচ্ছা জ্ঞাপন কৰিছে। ছ'চিয়েল মিডিয়াত এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে মহৰ্ষি বাল্মিকীৰ বিশুদ্ধ আৰু আদৰ্শ চিন্তাধাৰাই অতিজৰে পৰা ভাৰতীয় সমাজ আৰু পৰিয়ালত গভীৰ প্ৰভাৱ পেলাইছে,। গৃহ মন্ত্ৰী অমিত শ্বাহেও এই উপলক্ষ্যে সকলোকে শুভেচ্ছা জনাইছে।

000000000

———প্ৰতিৰক্ষা খণ্ডত দেশৰ আত্মনিৰ্ভৰশীলতাই আঁচনি আৰু ঘোষণাৰ পৰ্যায় অতিক্ৰম কৰি কাৰ্যকৰিতা আৰু প্ৰভাৱৰ ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত এইদৰে মত প্ৰকাশ কৰে। ৰাজধানী মহানগৰীখনত আয়োজিত 'ৰক্ষা নৱচাৰ সংবাদ' কাৰ্যসূচীত অংশগ্ৰহণ কৰি দিয়া ভাষণত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে সাম্প্ৰতিক কালত যুদ্ধসমূহ মূলতঃ প্ৰযুক্তিৰ দ্বাৰা চালিত হোৱাৰ পৰিপ্ৰেক্ষিতত যুদ্ধৰ আধুনিকতা তথা ইয়াৰ সৈতে সামঞ্জস্য ৰাখি আগবাঢ়ি যোৱাৰ বিষয়টোত চৰকাৰে সম্পূৰ্ণ সচেতনতা অৱলম্বন কৰিছে। বিগত ১০ টা বছৰত আত্মনিৰ্ভৰ ভাৰত কাৰ্যসূচীৰ অধীনত থলুৱাভাৱে প্ৰতিৰক্ষা সঁজুলিৰ বিকাশ সাধন তথা নিৰ্মাণকাৰ্যক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত চৰকাৰে ভালেমান আঁচনি গ্ৰহণ কৰা বুলিও তেওঁ উল্লেখ কৰে।

000000000

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ্ জয়শংকৰে দায়বদ্ধ কৃত্ৰিম বুদ্ধিমত্তাক কাৰ্যকৰী কৰাৰ বাবে আস্থা আৰু সুৰক্ষাক অপৰিহাৰ্য বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত 'ভাৰতৰ আস্থা আৰু সুৰক্ষা মহোৎসৱ'ত অংশগ্ৰহণ কৰি ড° জয়শংকৰে কয়, যে আহিবলগীয়া দিনবোৰত কৃত্ৰিম বুদ্ধিমত্তাই অৰ্থনীতিৰ সংস্কাৰ সাধন কৰাৰ লগতে কামৰ অভ্যাসৰ পৰিৱৰ্তন সাধন কৰিব, স্বাস্থ্যখণ্ডৰ সমস্যা সমাধানৰ ন ন পথ উদ্ভাৱন কৰিব আৰু শিক্ষাক অধিক পৰিমাণে প্ৰসাৰিত কৰিব। জীৱনধাৰাৰ সৈতে কৃত্ৰিম বুদ্ধিমত্তাৰ অন্তৰ্ভুক্তিয়ে বিশ্বৰ সকলো অংশত প্ৰতিজন নাগৰিকৰ ওপৰত প্ৰভাৱ পেলাব বুলিও তেওঁ মত প্ৰকাশ কৰে।

000000000

মণিপুৰত আজি পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ প্ৰতীকস্বৰূপ মেৰা হৌ চুংবা মহোৎসৱ অনুষ্ঠিত হৈছে। এই মহোৎসৱত মণিপুৰৰ ১৩৫ খন গাঁৱৰ গাঁওপ্ৰধানে অংশগ্ৰহণ কৰিছে। পাৰ্বত্য জিলাসমূহৰ বিভিন্ন খিলঞ্জীয়া জনজাতীয় গাঁৱৰ গাঁওপ্ৰধানসকল এই উৎসৱত অংশ লোৱাৰ আজি ইম্ফলত উপস্থিত হয়। মণিপুৰৰ ৰজা তথা ৰাজ্যসভাৰ সাংসদ মহাৰাজ চানজাওবা লেইচেমবাই তেওঁলোকক আনুষ্ঠানিকভাৱে আদৰণি জনায়।

০০০০০০০০

ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী ছিবেষ্টিয়ান লুখোন্যুৱে দায়িত্বভাৰ গ্ৰহণ কৰাৰ মাত্ৰ ২৬ দিনৰ পাছতে পদত্যাগ কৰিছে। দেশখনৰ সংসদত ভিন ভিন ৰাজনৈতিক দলে তেওঁৰ মন্ত্ৰীসভাখনক সমালোচনা কৰি ভোটদানৰ জৰিয়তে ইয়াক ভংগ কৰাৰ সকিয়নী দিয়াৰ পাছতে নৱনিৰ্বাচিত প্ৰধানমন্ত্ৰীগৰাকীয়ে এই সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে দেশখনলৈ সুস্থিৰতা ওভতাই অনাৰ পৰিকল্পনাত সহযোগ কৰাৰ বাবে ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ'ৰে জনোৱা অনুৰোধ ৰক্ষা কৰি সাময়িকভাৱে দায়িত্বভাৰ পালন কৰিবলৈ তেওঁ সন্মতি প্ৰকাশ কৰে। ইয়াৰ মাজতে কেইবাটাও ৰাজনৈতিক দলে ফ্ৰান্সত আগতীয়াকৈ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ আৰু ২০২৭ চনত কাৰ্যকাল উকলি যোৱাৰ পূৰ্বে ৰাষ্ট্ৰপতি মেক্ৰঁ'ক পদত্যাগ কৰিবলৈ আহ্বান জনায়। দেশখনৰ শেহতীয়া ৰাজনৈতিক বিপৰ্যয়ৰ ফলস্বৰূপে পেৰিছ্ ষ্টক এক্সচেঞ্জৰ ষ্টকৰ মূল্য নিম্নগামী হয়।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথ ৪৪, ভূমিস্খলন আৰু একাধিক স্থানত বোকা জমা হোৱাৰ বাবে যান-বাহন চলাচলৰ বাবে বন্ধ কৰি দিয়া হৈছে। ঘাইপথটো অৱৰোধ হৈ থকাৰ বাবে সম্প্ৰতি যাতায়তৰ বাবে অসুৰক্ষিত।

জম্মু সংমণ্ডলৰ সীমান্ত জিলা ৰাজৌৰী আৰু পুঞ্চক কাশ্মীৰ উপত্যকাৰ শ্বোপিয়ান জিলাৰ সৈতে সংযোগ কৰা ঐতিহাসিক মোগল পথটোও প্ৰচণ্ড বৰফ জমা হোৱাৰ বাবে বন্ধ হৈ আছে। কৰ্তৃপক্ষই যাতায়ত আৰু পৰিবহণকাৰীসকলক এই পথসমূহ সম্পূৰ্ণকৈ মুকলি নোহোৱালৈকে যাতায়ত নকৰিবলৈ পৰামৰ্শ দিছে। পথ নিষ্কাশনৰ কাম সম্প্ৰতি চলি আছে।

০০০০০০০০০০

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰ কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এয়া হ'ব ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথমটো ভাৰত ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰা মতে ৯ অক্টোবৰত মুম্বাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰে **ভিজন ২০৩৫**ৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ বাবে ভাৰত আৰু ব্ৰিটেইনৰ সংহত কৌশলগত অংশীদাৰিত্বৰ অধীনত ৰূপায়িত বিভিন্ন কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। উল্লেখযোগ্য যে এনে অংশীদাৰিত্বৰ জৰিয়তে বাণিজ্য আৰু বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, জলবায়ু আৰু শক্তি, স্বাস্থ্য, শিক্ষা আৰু জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহক অগ্ৰাধিকাৰ প্ৰদানেৰে গ্ৰহণ কৰা উভয় দেশে ১০ বছৰীয়া সময় নিৰ্ধাৰিত কাৰ্যসূচী গ্ৰহণ কৰিছে। দুয়োগৰাকী নেতাই পৰস্পৰ স্বাৰ্থজৰিত বিষয়সমূহৰ ক্ষেত্ৰত ভাব বিনিময় কৰাৰ লগতে দুয়ো দেশৰ মাজৰ অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি সন্দৰ্ভত আলোকপাত কৰাৰ উদ্দেশ্যে ব্যৱসায়িক আৰু ঔদ্যোগিক ক্ষেত্ৰৰ নেতৃস্থানীয় লোকসকলৰ সৈতে বাৰ্তালাপতো অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, দুয়োখন দেশৰ প্ৰধানমন্ত্ৰী দুগৰাকীয়ে মুম্বাইত হ'বলগীয়া **গ্লোবেল ফিনটেক ফেষ্ট**ৰ ষষ্ঠ সংস্কৰণত অংশগ্ৰহণ কৰিব। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰৰ এই ভ্ৰমণে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সম্পৰ্কৰ উন্নতি সাধন কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হ'বলগীয়া খেলত বাংলাদেশ ইংলেণ্ডৰ মুখামুখি হ'ব। খেলখন বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত হ'ব। বিশ্বকাপত দুয়োটা দল ইতিমধ্যে নিজৰ নিজৰ প্ৰথম খেলত জয়ী হৈছে। ইংলেণ্ডৰ দলটোৱে দক্ষিণ আফ্ৰিকাক ১০ উইকেটত পৰাস্ত কৰি পৰৱৰ্তী পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে বাংলাদেশে পাকিস্তানৰ বিৰুদ্ধে ৭ উইকেটত জয়লাভ কৰে। ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত কালি সন্ধিয়া অনুষ্ঠিত খেলত দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত জয়ৰ বাবে প্ৰয়োজন হোৱা ২৩২ ৰান দক্ষিণ আফ্ৰিকাই ৪০ অ'ভাৰ আৰু ৫ টা বলত ৪ টা উইকেট হেৰুৱাই সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে টছত জিকি নিউজিলেণ্ডে ৪৭ অ'ভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩১ ৰান কৰে।

০০০০০০০০০

সমাপ্ত